بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**উহুদৰ যুদ্ধৰ পৰিস্থিতি আৰু ঘটনাৱলী সম্পৰ্কে বৰ্ণনা আৰু পেলেষ্টাইনৰ নিৰাপৰাধ,নিষ্পাপ লোক সকলৰ বাবে বিশেষ দোৱাৰ আহ্বান**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৫ ডিচেম্বৰ ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আঁহজৰত (ছাঃ)ৰ জীৱনী সম্পৰ্কে চলা বৰ্ণনাত উহুদৰ যুদ্ধ সম্পৰ্কে আলোচনা কৰা হৈ আছিল। এই যুদ্ধ সম্পৰ্কে আৰু বৰ্ণনা কৰিবলৈ আছে যে যেতিয়া আঁহজৰত (ছাঃ)য়ে উহুদৰ ময়দানত গৈ ছাইনী পাতিছিল, মুছলমান বাহিনীৰ পিছফালে আছিল উহুদ পাহাৰ। যাৰ ফলত পিছ ফালৰ পৰা আক্ৰমণ হোৱাৰ কোনো ভয় নাছিল। যিয়েই নহওঁক এফালে এটা গিৰিপথ থকা কাৰণে সেই ফালেদি শত্ৰুৰ আক্ৰমণ হোৱাৰ সম্ভাৱনা আছিল। গতিকে ৰছুলুল্লাহ (ছাঃ)য়ে সেই ফালেদি আহিব পৰা বিপদ সম্পৰ্কে ধাৰণা কৰি পঞ্চাছ জন তীৰবাজ চাহাবাৰ এটা দল সেই গিৰিপথ অৱৰোধ কৰিবলৈ নিযুক্ত কৰে আৰু হজৰত আব্দুল্লাহ বিন জাবিৰ (ৰাঃ)ক সেই দলটোৰ আমিৰ নিযুক্ত কৰি গিৰিপথ ৰক্ষাৰ্থে পঠিয়াই দিয়ে। ৰছুলুল্লাহ (ছাঃ)য়ে সেই তীৰ আন্দাজ চাহাবা সকলক নিৰ্দেশ দিছিল যে যদি তোমালোকে দেখিবলৈ পোৱা যে আমাক চৰাই চিৰিকতিয়ে ছিঙি ফালি খাই আছে অথবা আমি ইয়াতে শত্ৰু বাহিনীৰ ওপৰত জয়লাভ কৰিছোঁ আৰু সিহঁতক নিঃশেষ কৰি পেলাইছো তথাপি তোমালোকে কিন্তু সেই গিৰিপথ এৰি কতো নাযাবা, যেতিয়ালৈকে মই তোমালোকক গিৰিপথ এৰি আহিবলৈ খবৰ নপঠাও।

এজন জীৱনী লিখকে লিখিছে যে আঁহজৰত (ছাঃ)য়ে সেই গিৰিপথ ৰক্ষী দলটোক কৈছিল যে তোমালোকে শত্ৰু বাহিনীৰ অশ্বাৰোহী দলটোক আমাৰ পৰা আঁতৰাই ৰাখিবা যাতে তেওঁলোকে আমাক পিছ ফালৰ পৰা আক্ৰমণ কৰিব নোৱাৰে। নিশ্চয় আমি সেই সময়লৈকে জয়ী হৈ থাকিম যেতিয়ালৈকে তোমালোকে নিজৰ নিজৰ ঠাইত অটুট থাকিবা। তাৰ পিছত কৈছিল যে হে আল্লাহ ! মই তোমাক এওঁলোকৰ ওপৰত

সাক্ষী ৰাখিলো।

আন এজন লিখকে লিখিছে যে আঁহজৰত (ছাঃ)ৰ যুদ্ধ কৌশল আৰু কাৰ্য প্ৰণালী ইমানেই উত্তম আৰু বুদ্ধিমত্তা সম্পন্ন আছিল যে এইবোৰৰ পৰাই আঁহজৰত (ছাঃ)ৰ যুদ্ধ পৰিকল্পনা অসাধাৰণ দক্ষতাৰ পৰিচয় পোৱা যায় আৰু ইয়াতেই প্ৰমাণিত হয় যে কোনো সেনানায়ক, সি যিমানেই বিচক্ষণ নহওঁক কিয়, আঁহজৰত (ছাঃ)তকৈ বেছি সূক্ষ্ম বুদ্ধি সম্পন্ন আৰু প্ৰজ্ঞা সম্পন্ন যুদ্ধ পৰিকল্পনা তৈয়াৰ কৰিব নোৱাৰে।

তীৰ আন্দাজৰ এটা দল উহুদৰ গিৰিপথত নিযুক্ত কৰাৰ পিছত ৰছুলুল্লাহ (ছাঃ)য়েও যুদ্ধলৈ সাজু হৈ পৰে আৰু সৈন্য শাৰীবোৰ ঠিক কৰিবলৈ লয়। সংখ্যা আৰু যুদ্ধ সৰঞ্জামৰ আৰু অস্ত্ৰ সস্ত্ৰৰ ফালেৰে মুছলমান সকল কাফিৰ সকলতকৈ দুৰ্বল আছিল। মুশৰিক সকলৰ চিপাহী দহটা শাৰীত শাৰীবদ্ধ হৈছিল আৰু মুছলমান সকলৰ শাৰী হৈছিল মাত্ৰ দুটা। বাকী পঞ্চাছ জন লোক গিৰিপথত তীৰ আন্দাজ হিচাপে পঠিওৱা হৈছিল। এনে অৱস্থাত হুজুৰ (ছাঃ)য়ে কৰুণ হৃদয়েৰে চকুলো নিগৰি বিনয় ভাৱে খোদা তা'লাৰ দৰবাৰত দোৱা কৰি আছিল। হজৰত আনছ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে ৰছুলুল্লাহ (ছাঃ)য়ে উহুদৰ যুদ্ধৰ দিনা এই দোৱা পাঠ কৰিছিল যে হে আল্লাহ ! যদি তুমি বিচৰা তেন্তে ধৰা পৃষ্ঠত তোমাৰ উপাসনা কৰা নহ'ব অৰ্থাৎ যদি তুমি আমাক সহায় নকৰা তেন্তে তেনেকুৱা অৱস্থাই হ'ব। কিছুমান বৰ্ণনাত পোৱা যায় যে বদৰৰ যুদ্ধৰ দিনাখনও আঁহজৰত (ছাঃ)য়ে এই দোৱা পাঠ কৰিছিল। সেয়া আল্লাই ভালদৰে জানে।

হজৰত ছাআদ বিন আবি উকাছ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে আব্দুল্লাহ বিন জুহাশ (ৰাঃ)য়ে কৈছিল যে আহা আমি দুয়ো মিলি দোৱা প্ৰাৰ্থনা কৰো। হজৰত ছাআদ (ৰাঃ)য়ে দোৱা কৰিছিল যে হে মোৰ পালনকৰ্তা। কালি যেতিয়া মোৰ শত্ৰুৰ সৈতে মোকাবিলা হ'ব, তেতিয়া যেন এজন বীৰ যুদ্ধাৰ সৈতে মোৰ মোকাবিলা হয় আৰু মই যেন তাক বধ কৰিব পাৰো। আনহাতে হজৰত আব্দুল্লাহ বিন জুহাশ (ৰাঃ)য়ে দোৱা কৰিছিল যে হে আল্লাহ ! কালি মোৰ যেন এনেকুৱা বীৰ চিপাহীৰ সৈতে মোকাবিলা হয় (যুদ্ধ হয়) যিয়ে মোৰ নাক কান কাটি পেলায় আৰু যেতিয়া তোমাৰ দৰবাৰত গৈ উপস্থিত হ'ম তেতিয়া মই যেন ক'ব পাৰো তোমাৰ আৰু তোমাৰ ৰছুলৰ সন্তুষ্টিৰ অৰ্থে মোৰ এই অৱস্থা হৈছে। দেখা গৈছিল যে যুদ্ধ ক্ষেত্ৰত দুয়োৰে সৈতে তেওঁলোকৰ দোৱা অনুযায়ী প্ৰতিদ্বন্দ্বি লগ পাইছিল।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে ছিৰাত খাতামুননাবিঈন পুস্তকত লিখিছে যে আঁহজৰত (ছাঃ)য়ে নিজৰ পিছফালটো নিৰাপদ কৰি ইছলামী সৈন্যক শাৰী পাতি দিয়ে আৰু বিভিন্ন দলবোৰক নিজা নিজা আমিৰ নিযুক্ত কৰি দিয়ে। এনেতে আঁহজৰত (ছাঃ)ক খবৰ দিয়া হৈছিল যে কুৰাইছ বাহিনীৰ পতাকা তালহাৰ হাতত দিয়া হৈছে। তালহা সেই বংশৰ লোক আছিল যিয়ে কুৰাইছৰ বন্ধু আলা কুছা বিন কালাবৰ প্ৰতিষ্ঠিত ব্যৱস্থাপনা হিচাপে যুদ্ধত কুৰাইছৰ নেতৃত্ব দিয়াৰ অধিকাৰ পায়। এই কথা জানিব পাৰি আঁহজৰত (ছাঃ)য়ে কয় যে আমি সম্প্ৰদায়ৰ আনুগত্য দেখুৱাৰ বেছি অধিকাৰী। গতিকে আঁহজৰত (ছাঃ)য়ে তৎক্ষণাত হজৰত আলি (ৰাঃ)ৰ পৰা মুহাজেৰিণ সকলৰ পতাকা লৈ আনি মুছাআব নিব উমেৰ (ৰাঃ)ৰ হাতত গতাই দিয়ে; এখেত (ৰাঃ) সেই তালহাৰ বংশৰ লোক আছিল। এখেত (ৰাঃ)ৰ সৈতে তালহাৰ সম্পৰ্কও আছিল। আনহাতে আবু ছুফিয়ান গোটেই কুৰাইছ বাহিনীৰ সেনা নায়ক আছিল; আৰু মহিলা সকলে সৈন্য বাহিনীৰ পিছে পিছে দাফ (তবলা) বজাই বজাই আৰু কবিতা গাই গাই সেনা বাহিনীক উৎসাহিত কৰি আহি আছিল।

আবু আমৰে যুদ্ধৰ আৰম্ভণী কৰিছিল। এওঁৰ কবিলাটো আউচ কবিলাৰ এটা শাখা আছিল; আৰু মদিনাৰ বাসিন্দা আছিল। এই লোকজন ৰাহেব নামেৰে পৰিচিত আছিল। এও আঁহজৰত (ছাঃ)ৰ প্ৰতি থকা

হিংসাৰ প্ৰকোপত মক্কালৈ গুচি যায়। এওঁৰ এটা ভুল ধাৰণা আছিল যে যেতিয়া তেওঁ যুদ্ধ ক্ষেত্ৰলৈ যাব তেতিয়া তাৰ কবিলাৰ লোকে তাৰ লগত গৈ মিলিব। এই আশাৰে যেতিয়া তেওঁ উচ্চস্বৰে মাত লগায় যে হে আউচৰ বাহিনী ! মই আবু আমৰ হওঁ। তেতিয়া আবু আমৰৰ মাত শুনি আনছাৰ সকলে কৈছিল, হে প্ৰৱঞ্চক ! তোৰ চকু নুজৰায় এই বুলি শিলগুটি তাৰ ফালে দলিয়াই দিয়ে। তেতিয়া আবু আমৰে তাৰ লগৰীয়া সকলক লৈ ময়দান এৰি পলাই যায়।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাবে লিখিছে যে আবু আমৰ আৰু তাৰ লগৰীয়া সকলৰ পলাই যোৱাৰ দৃশ্য চাই কুৰাইছৰ পতাকাধাৰী নেতা তালহা বীৰদৰ্পে আগুৱাই আহে আৰু অহংকাৰেৰে যুদ্ধৰ আহ্বান কৰে। তেতিয়া হজৰত আলি (ৰাঃ)য়ে তাৰ প্ৰতিদ্বন্দ্বি হিচাপে আগুৱাই যায় আৰু দুই চাৰি হাতৰ ভিতৰতেই তাক বধ কৰি পেলায়। ইয়াৰ পিছত কুৰাইছ সকলৰ ফালৰ পৰা প্ৰায় এজন ব্যক্তিয়ে এজন এজনকৈ নিজৰ সম্প্ৰদায়ৰ পতাকা হাতত লয়, কিন্তু প্ৰত্যেকেই মুছলমান সকলৰ হাতত নিহত হয়।

যিয়েই নহওঁক কুৰাইছ সকলৰ নেতা সকল মৃত্যুৰ মুখত পৰাৰ পিছত দুয়োফালৰ ফৌজৰ মাজত তুমুল যুদ্ধ সংঘটিত হয়, আৰু বহু সময় জুৰি হত্যা যজ্ঞ চলি থাকে, দুয়ো বাহিনীৰ মাজত হত-নিহতৰ ছিলছিলা জাৰি থাকে। অৱশেষত লাহে লাহে ইছলামী বাহিনীৰ আগত কুৰাইছৰ বাহিনীৰ ভৰি থৰক বৰক হ'বলৈ আৰম্ভ কৰে।

বিখ্যাত ইংৰাজ ইতিহাসবিদ ছাৰ উইলিয়াম মৌৰে লিখিছে যে মুছলমান সকলৰ আতংকময় আৰু তীব্ৰ আক্ৰমণৰ আগত মক্কাৰ ফৌজ ছেদেলি-ভেদেলি হ'বলৈ আৰম্ভ কৰে। মুছলমান সকলৰ ফালৰ পৰা উহুদৰ ময়দানতও সেই একেই বীৰত্ব আৰু মৃত্যুলৈ ভ্ৰূক্ষেপ প্ৰদৰ্শিত হৈছিল যেনেকৈ এওঁলোকে বদৰ প্ৰান্তত প্ৰদৰ্শন কৰিছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে তুমুল যুদ্ধৰ পিছতেই আল্লাহ তা'লাৰ কৃপা আৰু সহায়ৰ বলত কিছু সময়ৰ ভিতৰতে ছশ মুছলমানৰ আগত তিনি হাজাৰ প্ৰশিক্ষণ প্ৰাপ্ত চিপাহী যুদ্ধত তিষ্ঠিব নোৱাৰি পলাবলৈ বাধ্য হয়, আৰু মুছলমান সকলে জয়ৰ মুখ দেখিবলৈ পায়। এনেতে গিৰিপথৰ পহৰা দিয়া মুছলমান সকলে ধাৰণা কৰে যে আঁহজৰত (ছাঃ)য়ে আমাক যি নিৰ্দেশ দিছিল সেয়া কেৱল আমাক তাতে থকাৰ বাবে মনোযোগ আকৰ্ষণ কৰিছিল; ইয়াৰ অৰ্থ এয়া হ'ব নোৱাৰে যে শত্ৰু সকলে পৰাজিত হৈ পলাই যোৱাৰ পিছতও আমি ইয়াতে ৰৈ থাকিব লাগিব। এই বুলি ভাৰি গিৰিপথৰ দলটোৱে গিৰিপথ এৰি দিয়ে আৰু যুদ্ধৰ ময়দানলৈ গুচি আহে। এই অমান্যতাৰ কাৰণে পিছত যি ফলাফল ওলাই পৰে সেয়া আগলৈ বৰ্ণনা কৰা হ'ব।

হজৰত আনছ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে ৰছুলুল্লাহ (ছাঃ)য়ে উহুদৰ যুদ্ধৰ দিনা এডাল তৰোৱাল হাতত লৈ কৈছিল যে এই ডাল মোৰ পৰা কোনে ল'ব ? হজৰত আবু দাজানা (ৰাঃ)য়ে সুধিছিল সেই ডাল তৰোৱাল হ'ক কি ? তেতিয়া আঁহজৰত (ছাঃ)য়ে কৈছিল যে এই তৰোৱালেৰে কোনো মুছলমানক হত্যা নকৰিবা আৰু কোনো কাফিৰৰ আক্ৰমণৰ পৰা পলাই নাযাবা, বৰং বীৰত্বৰ সৈতে যুঁজ দিবা। হজৰত আবু দাজানা (ৰাঃ)য়ে সেই তৰোৱাল লৈ লৈছিল আৰু মুশৰিক সকলৰ মূৰ কাটি তৰোৱালৰ হ'ক আদায় কৰিছিল।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে লিখিছে যে আঁহজৰত (ছাঃ)ৰ তৰোৱাল নিয়াৰ আটাইতকৈ বেছি আগ্ৰহী আছিল হজৰত জাবিৰ (ৰাঃ)। কিন্তু আঁহজৰত (ছাঃ)য়ে যেতিয়া তৰোৱাল ডাল হজৰত আবু দাজানা (ৰাঃ)ক দি দিয়ে তেতিয়া জাবিৰ (ৰাঃ)য়ে দৃষ্টি ৰাখিছিল যে আবু দাজানা সেই তৰোৱালেৰে কি

কৰে। সেয়ে তেখেত (ৰাঃ)য়ে কৈছে যে আবু দাজানা তৰোৱাল হাতত লৈ মুশৰিক সকলৰ প্ৰথম সৈন্য শাৰী ভেদ কৰি মৃত্যুক আওকাণ কৰি সৈন্য বাহিনীৰ শেষ প্ৰান্তলৈ যায়। য'ত কুৰাইছ্ মহিলা সকলে থিয় হৈ আছিল তাত গৈ উপস্থিত হয়। আবু ছুফিয়ানৰ পত্নী হিন্দা আহি এখেতৰ সন্মুখত থিয় হৈ চিঞৰ মাৰি নিজৰ পুৰুষক সহায়ৰ বাবে মাত দিয়ে। কিন্তু কোনেও তাইৰ মাতত সহায় কৰিবলৈ আগবাঢ়ি নাহে। তেতিয়া আবু দাজানা (ৰাঃ)য়ে তৰোৱাল নমাই পিছুৱাই আহে। পিছত জাবিৰ (ৰাঃ)য়ে প্ৰশ্ন কৰাত আবু দাজানা (ৰাঃ)য়ে কৈছিল যে মোৰ অন্তৰ এই বিষয়ে প্ৰস্তুত হোৱা নাই যে ৰছুলুল্লাহ (ছাঃ)য়ে দিয়া এই তৰোৱাল এজনী মহিলাৰ ওপৰত চলাও আৰু সেই মহিলাজনীৰ কোনো পুৰুষ হিফাজতকাৰীও তাত নাছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে লিখিছে যে আঁহজৰত (ছাঃ)য়ে সদায় নাৰী জাতিক সন্মান কৰাৰ শিক্ষা প্ৰদান কৰিছে। যাৰ ফলত কাফিৰ মহিলা সকলে বেছি সাহসেৰে মুছলমান সকলৰ ক্ষতি সাধন কৰাৰ সুযোগ লৈছিল। তথাপি মুছলমান সকলে কাফিৰ মহিলাৰ আচৰণ সহ্য কৰি গৈছিল। এয়াই আছিল মুছলমান সকলৰ যুদ্ধ নীতি। ইনশা আল্লাহ বাকীখিনি আগলৈ বৰ্ণনা কৰা হ'ব।

শেষত হুজুৰ আনোৱাৰ আইঃ)য়ে কয় যে পেলেষ্টাইনৰ বাবে দোৱা কৰি থাকক। পেলেষ্টাইনত নিৰাপৰাধ লোকৰ ওপৰত জুলুম অত্যাচাৰ প্ৰত্যেক দিন বাঢ়ি গৈ আছে। আল্লাহ তা'লা এতিয়া অত্যাচৰী সকলক গ্ৰেপ্তাৰৰ উপায় দান কৰক। নিপীড়িত পেলেষ্টাইনী সকলৰ বাবে শান্তিৰ বাট মুকলি কৰি দিয়ক। মুছলমান দেশৰ নেতৃত্ব বৃন্দক প্ৰজ্ঞা দান কৰক, যাতে সকলোৱে একতাৰ এনাজৰীত আবদ্ধ হয়। তেওঁলোকে যেন মুছলমান ভাই সকলৰ বাবে অধিকাৰ প্ৰদানৰ চেষ্টা কৰোতা হয়। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 15 DEC 2023**

## BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844**